* কাৰ্যকাৰণ তত্ত্ব - সৎকাৰ্যবাদ (Theory of Causation : Satkaryavada) →

সাংখ্য দৰ্শনৰ প্ৰকৃতিতত্ত্ব আৰু ক্ৰমবিকাশতত্ত্ব তেওঁলোকৰ কাৰ্যকাৰণ তত্ত্বৰ ওপৰত নিৰ্ভৰশীল। গতিকে সাংখ্য আধ্যাত্মতত্ত্বৰ পূৰ্বে তেওঁলোকৰ কাৰ্যকাৰণ তত্ত্বটো সম্পৰ্কে ভালদৰে বুজি উঠা নিতান্তই প্ৰয়োজন। কাৰ্যকাৰণ তত্ত্ব বুলিলে সাধাৰণতে কাৰ্য আৰু কাৰণৰ মাজৰ অনিবাৰ্য সম্পৰ্ক বুজায়। কাৰ্যকাৰণতত্ত্ব অনুসৰি যিকোনো ঘটনাৰে এটা সুনিৰ্দিষ্ট কাৰণ থাকে। বিনা কাৰণত এই জগতত কোনো ঘটনাই নঘটে। সাংখ্য মতে, কাৰণ উপস্থিত আৰু কাৰ্যৰ মাজত অবিচ্ছিন্ন সম্বন্ধ আছে। কাৰণ উপস্থিত থাকিলে কাৰ্য ঘটে; কাৰণৰ অভাৱ হ'লে ~~কাৰ্যৰো~~ কাৰ্যৰো অভাৱ হয়।

কাৰ্যকাৰণবাদৰ দৃষ্টিভংগীৰ পৰা সাংখ্য দৰ্শনৰ তত্ত্বমীমাংসাৰ কিছুমান বিশেষত্ব আছে। সাংখ্য দৰ্শনে নিজৰ ২৫ তত্ত্বক কাৰ্যকাৰণবাদৰ দৃষ্টিভংগীৰ পৰা চাৰিটা অংশত বিভক্ত কৰিছে - ১) কিছুমান তত্ত্ব এনেকুৱা যি সকলোৰে কাৰণ কিন্তু নিজে কাৰো কাৰ্য নহয় যেনে - প্ৰকৃতি।

২) কিছুমান তত্ত্ব এনেকুৱা যি কাৰ্যহে মাত্ৰ। কিবা তত্ত্বৰ পৰা উৎপন্ন হয়, কিন্তু আন কোনো তত্ত্বৰ উৎপন্ন নকৰে; যেনে - বিকৃতি।

৩) কিছুমান তত্ত্ব কাৰ্য আৰু কাৰণ দুয়োটাই। ই কিবা তত্ত্বৰ পৰা উৎপন্ন হয় আৰু কিছু তত্ত্বক উৎপাদনো কৰে। যেনে- প্ৰকৃতি আৰু বিকৃতি।

৪) কিছুমান তত্ত্ব কাৰ্যকাৰণ সম্বন্ধ শূন্য হয়। যেনে - পুৰুষ।

ভাৰতীয় দৰ্শনত কাৰ্য উৎপত্তিৰ পূৰ্বে কাৰণত নিহিত থাকে নে নাথাকে - এই লৈ দুটা গুৰুত্বপূৰ্ণ মতবাদ পোৱা যায় - এটা অসৎকাৰ্যবাদ বা আৰম্ভবাদ আৰু আনটো সৎকাৰ্যবাদ। অসৎকাৰ্যবাদ অনুসৰি কাৰ্যটো উৎপত্তিৰ পূৰ্বে কাৰণত নিহিত নাথাকে - কাৰ্যটো নতুন আৰম্ভণি বা সৃষ্টি। কাৰ্যৰ উৎপত্তিৰ পূৰ্বে কাৰণত অসৎ অৰ্থাৎ কাৰণ নিহিত নাথাকে। কাৰ্যৰ অস্তিত্ব উৎপত্তিৰ পৰাহে আৰম্ভ হয়। এই মান্যতাৰ কাৰণে অসৎকাৰ্যবাদক 'আৰম্ভবাদ' বুলিও কোৱা হয়। উৎপত্তিৰ পূৰ্বে কাৰ্য সত্তাৰ প্ৰশ্নই নুঠে, কিয়নো, কাৰ্যটো যদি উৎপত্তিৰ ~~পূৰ্বতে~~ পূৰ্বতে বিদ্যমান আছিল তেন্তে তাৰ উৎপত্তি হ'ল বুলি কোৱা নাযায়।

সাংখ্য দৰ্শনে ন্যায় - বৈশেষিক আৰু বৌদ্ধ দৰ্শনৰ অসৎকাৰ্যবাদ খণ্ডন কৰি সৎকাৰ্যবাদ প্ৰতিষ্ঠা কৰিছে। সাংখ্য মতে, কাৰ্য উৎপত্তিৰ পূৰ্বৰে পৰা কাৰণত নিহিত থাকে। কাৰ্য সৰ্বদা কাৰণত সৎ অৰ্থাৎ বিদ্যমান থাকে। উদাহৰণস্বৰূপে, তেল উৎপাদনৰ পূৰ্বৰে পৰা সৰিয়হত নিহিত থাকে। যদি কাৰ্যটো পূৰ্বৰে পৰা কাৰণ নিহিত নাথাকে, তেনেহ'লে আমি যিকোনো কাৰণৰ পৰা যিকোনো কাৰ্য উৎপন্ন কৰিব পাৰিবলৈ হ'লহেঁতেন।

সাংখ্য সৎকাৰ্যবাদ মতে, কাৰণেৰে পৰিবৰ্তিত ৰূপ কাৰ্য। কাৰ্য আৰু কাৰণ একে বস্তুৰ দুটা ভিন্ন ৰূপ। কাৰণাৱস্থাৰ অব্যক্ত ৰূপে কাৰ্যাৱস্থাৰ ব্যক্ত ৰূপ। সাংখ্য দৰ্শনে এই সৎকাৰ্যবাদৰ আলমতে, তেওঁলোকৰ প্ৰকৃতি-পৰিণামবাদ ব্যাখ্যা কৰিছে। সাংখ্য মতে, সৃষ্টিৰ সকলো তত্ত্ব প্ৰলয় অৱস্থাত বীজৰূপত বা অব্যক্ত অৱস্থাত প্ৰকৃতিত বিদ্যমান থাকে আৰু সৰ্গাৱস্থাত কাৰ্যৰ ৰূপত ব্যক্ত হয়।

সাংখ্য দাৰ্শনিক সকলে বিভিন্ন যুক্তিৰে তেওঁলোকৰ সৎকাৰ্যবাদ প্ৰতিষ্ঠা কৰিছে। ঈশ্বৰকৃষ্ণ তেওঁৰ 'সাংখ্যকাৰিকা'ৰ নৱম কাৰিকাত পাঁচটা যুক্তিৰ সহায়ত সৎকাৰ্যবাদ সমৰ্থন কৰিছে।

১) অসদকৰণাৎ :- কাৰ্যটো যদি উৎপত্তিৰ পূৰ্বে কাৰণত অসৎ হয়, তেনেহলে কাৰ্যৰ উৎপত্তি কেতিয়াও সম্ভৱ নহয়। যি অসৎ তাক কোনোপধ্যেই উৎপন্ন কৰা নাযায়।

২) উপাদান গ্ৰহণাৎ :- উপাদান কাৰণৰ লগত কাৰ্যৰ এটা অপৰিহাৰ্য সম্পৰ্ক আছে যি উপাদান কাৰণ যি কাৰ্যৰ লগত সম্বন্ধযুক্ত, সেই কাৰণৰ দ্বাৰা সেই কাৰ্যই কেৱল সৃষ্টি কৰিব হ'ব পাৰে।

৩) সৰ্বসম্ভৱাভাৱাৎ :- এটা বিশেষ কাৰণৰ দ্বাৰা এটা বিশেষ কাৰ্য উৎপন্ন হয়। যেনে- সৰিয়হৰ দ্বাৰা তেল, সূতাৰ দ্বাৰা বস্ত্ৰ ইত্যাদি।

৪) শক্তস্য শক্যকৰণাৎ :- শক্ত কাৰণৰ দ্বাৰাই শক্য কাৰ্যৰ উৎপত্তি সম্ভৱ হয়। যি কাৰণত যি কাৰ্য উৎপন্ন কৰাৰ শক্তি থাকে, সেই কাৰণে কেৱল সেই কাৰ্যকে উৎপন্ন কৰিব পাৰে। ইয়াৰ অৰ্থ হ'ল, যি কাৰ্য বীজৰূপত যি কাৰণত বিদ্যমান, সেই কাৰণৰ কেৱল সেই কাৰ্য উৎপাদন কৰাৰ শক্তি আছে।

৫) কাৰণভাৱাৎ :- কাৰণ আৰু কাৰ্য যথাৰ্থতে অভিন্ন। কাৰ্যৰ কাৰণৰ দ্বাৰা ভিন্ন নহয়। কাৰণ আৰু কাৰ্য একে বস্তুৰ দুটা ৰূপ - ব্যক্ত আৰু অব্যক্ত। কাৰণ কাৰ্যৰ অব্যক্ত অৱস্থা আৰু কাৰ্য কাৰণৰ ব্যক্ত ৰূপ।

সৎকাৰ্যবাদৰ আকৌ দুটা ৰূপ আছে- পৰিণামবাদ আৰু বিবৰ্তবাদ। পৰিণামবাদ অনুসাৰি কাৰ্য কাৰণৰ বিকাৰ বা পৰিণামৰ ফলত উৎপন্ন হয়। কাৰ্য কাৰণৰ ৰূপান্তৰ মাত্ৰ।

বিবৰ্তবাদ অনুসাৰি কাৰ্য কাৰণৰ বিবৰ্ত বা ভ্ৰম অৱভাসহে, ই কাৰণৰ প্ৰকৃত ৰূপান্তৰ নহয়।